# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-04-2025
**Time :** 19-10   Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাবাচাহেব ভীমৰাও আম্বেদকাৰৰ আদৰ্শই চৰকাৰক সদায় পথ দেখুৱাই আহিছে বুলি মত প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰীয়ে আজি হাৰিয়ানাৰ হিছাৰ বিমান বন্দৰৰ এটা টাৰ্মিনেল ভৱনৰ আধাৰশিলা স্থাপন কৰাৰ লগতে হিছাৰৰ পৰা অযোধ্যালৈ চলাচল কৰিবলগীয়া বাণিজ্যিক বিমান সেৱা মুকলি কৰে।

৩। ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে গুজৰাট সন্ত্ৰাসবাদ বিৰোধী স্কোৱাদৰ সৈতে চলোৱা এটা গুৰুত্বপূৰ্ণ মাদক দ্ৰব্য বিৰোধী অভিযানত এহেজাৰ ৮০০ কোটি টকা মূল্যৰ ৩ শ কেজিৰো অধিক মেথামফেটামাইন জব্দ কৰে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফ্লৰিডাত অনুষ্ঠিত আৰ্চাৰী বিশ্বকাপত ভাৰতৰ ধীৰাজ বুন্মাদেৱাৰাই ব্ৰঞ্জৰ পদক লাভ কৰিছে। ***আৰু***

৫। আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্নৌৰ একনা ক্ৰিকেট ষ্টেডিয়ামত ক্ষন্তেক পাছতে এখন খেলত লক্ষ্নৌ ছুপাৰ জায়েণ্টছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে বাবাচাহেব ভীমৰাও আম্বেদকাৰৰ আদৰ্শই চৰকাৰক সদায় পথ দেখুৱাই আহিছে। হাৰিয়ানাৰ হিছাৰত আজি এখন জনসভাত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে কয় যে বাবাচাহেবৰ জীৱন, সংঘৰ্ষ আৰু তেওঁৰ শাশ্বত বাৰ্তাসমূহে চৰকাৰৰ যাত্ৰাত বিগত এঘাৰ বছৰে দিক নিৰ্দেশকৰ ভূমিকা পালন কৰি আহিছে। তেওঁ কয়, প্ৰতিদিনে গ্ৰহণ কৰা প্ৰতিটো সিদ্ধান্ত তথা প্ৰতিটো নীতি হৈছে ড০ আম্বেদকাৰে দেখুৱাই যোৱা পথৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। শ্ৰীমোদীয়ে উল্লেখ কৰে যে, সমাজৰ শোষিত শ্ৰেণীৰ পৰা আৰম্ভ কৰি বঞ্চিত সকললৈকে, জনজাতীয় লোকৰ পৰা মহিলালৈকে, দৰিদ্ৰ শ্ৰেণীৰ পৰা পিছপৰা অঞ্চলৰ লোকলৈকে এই সকলোৰে জীৱনৰ পৰিৱৰ্তনৰ লক্ষ্যৰে চৰকাৰে প্ৰতিটো প্ৰচেষ্টা গ্ৰহণ কৰিছে আৰু তেওঁলোকৰ আশাসমূহ বাস্তৱত পৰিণত কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে বাবা চাহেব ড০ ভীমৰাও আম্বেদকাৰৰ প্ৰতি শ্ৰদ্ধা জনাই কয়, যে তেওঁৰ জন্ম বাৰ্ষিকী দলিত আৰু পিছপৰা সম্প্ৰদায়সমূহৰ বাবে দেৱালী সদৃশ। বাবা চাহেবৰ মন্ত্ৰৰে কাম আৰম্ভ কৰি চৰকাৰে এতিয়া শ্ৰীকৃষ্ণৰ ভূমিৰ পৰা প্ৰভূ ৰামৰ অযোধ্যালৈকে বিমান চলাচলো আৰম্ভ কৰিছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ দিশত হাৰিয়ানাই গুৰুত্ব সহকাৰে কামত অগ্ৰসৰ হোৱাক লৈ গৌৰৱবোধ কৰে। শ্ৰীমোদীয়ে তেওঁৰ ভাষণত ৱকফ আইনত শেহতীয়াকৈ কৰা সাল সলনিৰ সন্দৰ্ভত কয়, যে এই আইনসমূহে দৰিদ্ৰ মুছলমানসকলক উপকৃত কৰাৰ লগতে জনজাতীয় ভূমি সুৰক্ষিত কৰিব। ভালেসংখ্যক মুছলমান বিধবাই

চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰাৰ  পাছতে ৱকফ আইন সন্দৰ্ভত আলোচনা অনুষ্ঠিত হৈছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ ফলত মুছলমান সকলৰ ওপৰত শোষণ বন্ধ হ'ব আৰু দৰিদ্ৰ আৰু পিছপৰা শ্ৰেণীৰ মুছলমান লোকসকলে তেওঁলোকৰ প্ৰাপ্য অধিকাৰ লাভ কৰিব।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যখনৰ হিছাৰ বিমান বন্দৰৰ ২ নম্বৰ টাৰ্মিনেল ভৱনৰ আধাৰশিলা স্থাপন কৰে আৰু হিছাৰৰ পৰা অযোধ্যালৈ চলাচল কৰিবলগীয়া বাণিজ্যিক বিমান সেৱাৰো পতাকা জোকাৰি শুভাৰম্ভ কৰে। হিছাৰত ৪১০ কোটিৰো অধিক টকাৰ ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া নতুন টাৰ্মিনেল প্ৰকল্পত যাত্ৰীসকলৰ বাবে অত্যাধুনিক সা-সুবিধা থকাৰ উপৰি সা-সামগ্ৰী ৰখাৰ ব্যৱস্থা আৰু এটা এয়াৰ ট্ৰেফিক নিয়ন্ত্ৰণ ভৱন থাকিব।  প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ২০১৪ চনৰ পূৰ্বে দেশত মাত্ৰ ৭৪ টা বিমান বন্দৰহে আছিল আৰু বৰ্তমান এই সংখ্যাই ১৫০ অতিক্ৰম কৰিছে। হাজাৰ হাজাৰ ভাৰতীয়ক প্ৰথমবাৰৰ বাবে বিমান ভ্ৰমণৰ আনন্দ দিয়া কেন্দ্ৰৰ উড়ান আঁচনিৰ সাফল্যতো প্ৰধানমন্ত্ৰীয়ে আলোকপাত কৰে।

অনুষ্ঠানত ভাষণ দি হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং ছাইনীয়ে কয়, যে আজি শুভাৰম্ভ হোৱা এই বিমান সেৱাই অঞ্চলটোৰ বাণিজ্য, পৰ্যটন আৰু বিনিয়োগৰ ক্ষেত্ৰখনক যথেষ্ট পৰিমাণে লাভান্বিত কৰিব।

প্ৰধানমন্ত্ৰীয়ে আজি ৰাজ্যখনৰ যমুনা নগৰত এহেজাৰ কোটিৰো অধিক টকাৰ ব্যয় সাপেক্ষ ৮০০ মেগাৱাট শক্তিসম্পন্ন দীনবন্ধু চোটুৰাম তাপবিদ্যুৎ প্ৰকল্প, মুকাৰাবপুৰৰ জৈৱ গেছ প্ৰকল্প আৰু ভাৰত মালা প্ৰকল্পৰ অধীনত ১৪ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ৰেৱাৰী বাইপাছ প্ৰকল্পকে ধৰি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

ooooo

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি পালন কৰা হৈছে। পুৱাই গঞা ৰাইজে গোহালিৰ গৰুকেইটা নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিহু উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে বিহুৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত উদযাপন কৰা বৈশাখী, পহিলা বৈশাখ, মেষাদি, পুতান্দু পিৰাপুকে ধৰি নৱবৰ্ষৰ উৎসৱসমূহৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহু আৰু অসমীয়া নৱবৰ্ষৰ শুভক্ষণত ৰাজ্যবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰঙালী বিহুৱে সংস্কৃতি আৰু পৰিৱেশৰ মাজৰ চিৰ বিৰাজমান আন্তঃসম্পৰ্ক প্ৰতিফলিত কৰে বুলি ৰাজ্যপালগৰাকীয়ে মত প্ৰকাশ কৰিছে। অসমৰ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰঙালী বিহু উপলক্ষে ৰাজ্যবাসীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

ভাৰতীয় উপকূলৰক্ষী বাহিনীয়ে গুজৰাট সন্ত্ৰাসবাদ বিৰোধী স্কোৱাদৰ সৈতে চলোৱা এটা  গুৰুত্বপূৰ্ণ মাদক দ্ৰব্য বিৰোধী অভিযানত   এহেজাৰ ৮০০ কোটি টকা মূল্যৰ ৩ শ কেজিৰো অধিক মেথামফেটামাইন জব্দ কৰে। উপকূলৰক্ষী বাহিনীয়ে গোপন সূত্ৰৰ  ভিত্তিত অভিযান চলাই যোৱা নিশা আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সীমান্তৰেখাৰ সমীপত এখন জাহাজ জব্দ কৰে। জাহাজখনত থকা সন্দেহযুক্ত লোককেইজনে মাদক দ্ৰব্যখিনি সাগৰত পেলাই দিয়ে আৰু পলাই যাবলৈ সক্ষম হয়। অৱশ্যে উপকূলৰক্ষী বাহিনীয়ে মাদক দ্ৰব্যখিনি উদ্ধাৰ কৰে আৰু তদন্তৰ বাবে পোৰবন্দৰলৈ লৈ যায়।

০০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা-চি বি আইয়ে আজি গুৱাহাটীৰ  ডি. বি. ষ্টক কনচালটেন্সিৰ বিত্তীয় অনিয়মত জড়িত থকাৰ অভিযোগত মহানগৰীৰ এক্সিছ বেংকৰ প্ৰাক্তন শাখা প্ৰবন্ধক পুষ্পজিৎ পুৰকায়স্থ আৰু সন্দীপ গুপ্তাক ডিব্ৰুগড়ৰ পৰা গ্ৰেপ্তাৰ কৰে। চিবিআইয়ে প্ৰকাশ কৰা অনুসৰি পুৰকায়স্থই ডি বি ষ্টকৰ হৈ অধিক ধন ঘূৰাই দিয়াৰ ভুৱা প্ৰতিশ্ৰুতিৰে জনসাধাৰণক বিনিয়োগৰ বাবে আকৰ্ষিত কৰি অবৈধভাৱে ধন উপাৰ্জন কৰিছিল। পুৰকায়স্থই মুম্বাই আৰু গুৱাহাটীৰ একাংশ বিনিয়োগকাৰীক আকৰ্ষিত কৰি এই অসাধু কাৰ্য চলাই আহিছিল। একেদৰে ডি বি ষ্টকৰ অন্যতম এজেণ্ট হিচাপে পৰিচিত সন্দীপ গুপ্তাই একেধৰণৰ ভুৱা প্ৰতিশ্ৰুতিৰে কমেও ৩৫০তকৈও অধিক গ্ৰাহকৰ পৰা ধন সংগ্ৰহ কৰিছিল। ইয়াৰ বিনিময়ত সংস্থাটোৰ পৰা তেওঁ লক্ষাধিক টকা উপাৰ্জন কৰিছিল বুলি চি বি আইৰ তদন্তত প্ৰকাশ পাইছে। উল্লেখযোগ্য যে চি বি আইয়ে ইতিমধ্যে ডি বি ষ্টকৰ স্বত্বাধিকাৰী দিপাংকৰ বৰ্মনৰ বিৰুদ্ধে দেশজুৰি ১০ হাজাৰৰো অধিক লোকক প্ৰৱঞ্চনা কৰি ৪০০ কোটিৰো অধিক ধন সংগ্ৰহ কৰাৰ অভিযোগনামা দাখিল কৰিছে বুলি সংস্থাটোৱে প্ৰকাশ কৰে।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ জনপ্ৰিয় গায়িকা কেটি পেৰিকে ধৰি ছজনীয়া মহিলাৰ এটা দল আজি এমাজনৰ স্বত্তাধিকাৰী জেফ বেজোছৰ মহাকাশ কোম্পানী ব্লু অৰিজিনৰ এটা ৰকেটত পৃথিৱীৰ বায়ুমণ্ডলৰ উৰ্ধতন সীমালৈ যাত্ৰা কৰিব। দলটোত থকা আন আন সদস্যসকল হৈছে টেলিভিশ্বনৰ পৰিবেশিকা গেইল কিং, ছবি প্ৰযোজক কেৰিয়েন ফ্লিন, প্ৰাক্তন নাছা এৰোস্পেচ অভিযন্তা আইশা বৌয়ি আৰু এগৰাকী সমাজসেৱিকা আমান্দা গুয়েন। ভাৰতীয় সময় অনুসৰি আজি সন্ধিয়াৰ ভাগত পশ্চিম টেক্সাছৰ পৰা যানখন মহাকাশলৈ উৰা মৰাৰ কথা। ১৯৬৩ চনত ৰাছিয়াৰ মহাকাশচাৰী ভেলেন্টিনা টেৰেস্ক'ভাৰ ঐতিহাসিক একক মহাকাশ ভ্ৰমণৰ পাছত প্ৰথমবাৰৰ বাবে এটা মহিলাৰ দলে মহাকাশলৈ যাত্ৰা কৰিব। যাত্ৰীসকলক পৃথিৱীপৃষ্ঠৰ পৰা এশ কিলোমিটাৰতকৈও অধিক উচ্চতালৈ অৰ্থাৎ বিমান চলাচলৰ বাবে মহাকাশৰ সীমা হিচাপে আন্তৰাষ্ট্ৰীয়ভাৱে চিহ্নিত কাৰমান সীমাৰেখাৰ উৰ্ধলৈ লৈ যোৱা হ'ব। যাত্ৰীসকলে প্ৰায় ১০ মিনিট সময় মহাকাশত অতিবাহিত কৰিব।

০০০০০

বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহ ২০২৫ৰ  শুভংকৰ আৰু প্ৰতীকপট মুকলি কৰে। এই উপলক্ষে আজি পাটনাৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। অহা ৪ৰ পৰা ১৫ মে'লৈ বিহাৰৰ ভিন ভিন চহৰত খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হব। প্ৰতিযোগিতাত ভলীবল, বাস্কেটবল, বক্সিং, কাবাডীকে ধৰি নিয়মীয়া খেলসমূহৰ উপৰি এথলেটিক্স আৰু চেপাক টাকৰোৰ ১৮ বিধ ভিন ভিন ক্ৰীড়া অনুষ্ঠিত হ'ব।

০০০০০

অষ্ট্ৰেলিয়াৰ পাৰ্থত ২৬ এপ্ৰিলৰ পৰা ৪ মে'লৈ হ'বলগীয়া হকী শৃংখলাৰ বাবে ২৬ জনীয়া ভাৰতীয় হকী দলটো আজি হকী ইণ্ডিয়াই ঘোষণা কৰে। ৫ খন খেলৰ শৃংখলাটোত ভাৰতে প্ৰথম দুখন খেলত অষ্ট্ৰেলিয়া- A ৰ বিৰুদ্ধে খেলিব। তাৰ পাছতে অষ্ট্ৰেলিয়াৰ ৰাষ্ট্ৰীয় দলটোৰ বিৰুদ্ধে তিনিখন খেলত অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটোক চালিমা টেটেই নেতৃত্ব দিয়াৰ লগতে নৱনীত কৌৰ হ'ব উপ অধিনায়ক। দলটোত সবিতা আৰু নৱাগত বিশুদেৱী

খাৰিবেমক গল কিপাৰ হিচাপে নিৰ্বাচন কৰা হৈছে। জুন মাহত হ'বলগীয়া FIH pro league 2024-25 ৰ বাবে এই ভ্ৰমণ ভাৰতীয় দলটোৰ বাবে প্ৰস্তুতিমূলক হ'ব।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফ্লৰিডাত অনুষ্ঠিত আৰ্চ্চাৰী বিশ্বকাপত ভাৰতৰ ধীৰাজ বুম্মাদেৱাৰাই ব্ৰঞ্জৰ পদক লাভ কৰিছে। ধীৰাজে পুৰুষৰ একক ৰিকাৰ্ভ শাখাত এন্ড্ৰিছ টেমিনো মেদিয়েলক ৬-৪ ৰ ব্যৱধানত পৰাস্ত কৰে। প্ৰতিযোগিতাখনত এয়া হৈছে ধীৰাজৰ দ্বিতীয়টো পদক জয়। এই জয়ৰ সুবাদত ভাৰতে আৰ্চ্চাৰী বিশ্বকাপত এটা সোণ, এটা ৰূপ আৰু দুটা ব্ৰঞ্জসহ মুঠ ৪ টা পদকেৰে নিজৰ অভিযান সামৰণি মাৰিছে। ভাৰত পদক তালিকাৰ চতুৰ্থ স্থানত থাকে।

০০০০০

আই পি এল টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত ক্ষন্তেক পাছতে এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চেন্নাই ছুপাৰ কিংছে টছত জিকি লক্ষ্ণৌ চুপাৰ জায়েণ্টছক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়।

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে নিজৰ ছয়খন খেলৰ চাৰিখনত জয়লাভ কৰি পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আছে। ইয়াৰ বিপৰীতে চেন্নাই ছুপাৰ কিংছ নিজৰ ছখন খেলৰ মাত্ৰ এখনতহে জয়ী হৈছে আৰু পইণ্ট তালিকাৰ একেবাৰে শেষত আছে।

০০০০০

সমাপ্ত